## ৩.৪.৪ নাটখনিৰ ৰস বিচাৰ

অংকীয়া নাটৰ ৰস সম্বন্ধে আমি ইতিমধ্যে কিছু কথা অধ্যয়ন আহিছোঁ। এতিয়া আমাৰ পঠনীয় নাট মাধৱদেৱৰ অৰ্জুন-ভঞ্জনত নাট্যৰস কেনেদৰে ঘনীভূত হৈছে সেই বিষয়ে আলোচনা কৰিম। প্ৰাচীন সংস্কৃত নাট্য সাহিত্যৰ স্ৰষ্টাসকলৰ প্ৰধান দৃষ্টি আছিল ৰস সৃষ্টিত। সংস্কৃত নাটক শৃংগাৰ, হাস্য, বীৰ, কৰুণ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক, বীভৎস আৰু শান্ত— এই ন বিধ ৰসৰ ওপৰত গুৰুত্ব দিয়া হয়। মহাপুৰুষ শংকৰদেৱে সৃষ্টি কৰা অংকীয়া নাটসমূহত উক্ত নৱ বিধ ৰসৰ সমাহাৰ ঘটিছে। কিন্তু সকলো ৰসতে তল পেলাই ইয়াৰ অন্তৰালত ভক্তিৰসৰ প্ৰভাৱ অহৰহ প্ৰবাহিত হৈ আছে। তেওঁৰ আটাইকেইখন নাটতে ভক্তিৰসে প্ৰাধান্য লাভ কৰিছে।

মহাপুৰুষ মাধৱদেৱেও বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি শংকৰদেৱে দেখুৱাই যোৱা পথকে অনুসৰণ কৰি নাট ৰচনাত হাত দিছিল। নাট্যকাৰ হিচাপে মাধৱদেৱে পাঠক-দৰ্শকৰ ৰুচিৰ বিষয়ে সম্যক ধাৰণা কৰিব পাৰিছিল। অৰ্জুন-ভঞ্জন নাটত শিশু কৃষ্ণই মাকৰ গাখীৰ খাব বিচৰা, যশোদাই কৃষ্ণক মাটিত থেকেচা মাৰি থোৱা, কৃষ্ণৰ উদ্ভগুলিত মাক যশোদাই গৰুৰ পঘাৰে উৰলত বান্ধি থোৱা, কৃষ্ণই যমলাৰ্জুন ভংগ কৰা, নলকুবেৰ-মণিগ্ৰীৱই মুক্তি লাভ কৰা আৰু শেষত নন্দ যশোদাৰ কলহৰ মাজেৰে নাট্যকাৰে সৰ্বসাধাৰণ লোকক আমোদ দিব পাৰিছিল।

শংকৰদেৱৰ জীৱন কালত ৰচনা কৰা মাধৱদেৱৰ প্ৰথম নাট অৰ্জুন-ভঞ্জনত অংকীয়া নাটৰ ভালেখিনি বৈশিষ্ট্য প্ৰকাশ পাইছে। নাটখনিত ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতীকৰ যোগেদি দৃশ্যমান হৈছে। সাংসাৰিক মায়াৰ বান্ধোনেৰে বন্দী জীৱই ভোগবাদী জীৱনলৈ আশা কৰে। জগতৰ পৰম পুৰুষ কৃষ্ণক পুত্ৰৰূপে পোৱাৰ পাছতো যশোদাৰ পাৰ্থিৱ বস্তুৰ প্ৰতি থকা মোহে সংসাৰৰ প্ৰতি থকা আসক্তিকে দেখুওৱা হৈছে। অংকীয়া নাটসমূহ যিহেতু ভক্তিৰস প্ৰধান সেয়ে মাধৱদেৱৰ অৰ্জুন-ভঞ্জন নাটতো ভক্তিৰসকে প্ৰাধান্য দিয়া হৈছে। ইয়াত বাৎসল্য, হাস্য আৰু বিস্ময় বা অদ্ভুত ৰসৰ সমাবেশ ঘটিছে যদিও ভক্তিৰসেই নাটখনিৰ প্ৰধান ৰস। চৰিত্ৰসমূহৰ কাৰ্য-কলাপৰ মাজেৰে বাৎসল্য, হাস্য আৰু বিস্ময় অথবা অদ্ভুত ৰসৰ প্ৰকাশ ঘটিছে যদিও এই আটাইবোৰেই অৱশেষত ভক্তিৰসৰ নিৰ্মল সাগৰত নিমজ্জিত হৈছে।

নাটখনিৰ আৰম্ভণিতে শিশু কৃষ্ণই মাক যশোদাক দধিমন্থন কৰি থকা কাৰ্যত বাধা দি গাখীৰ খাবলৈ ইচ্ছা কৰিছে। মাকেও পুত্ৰ স্নেহত কাষতে উমলি থকা পুত্ৰৰ গুণ গাই গাই দধি মথিছে। কৃষ্ণই গাখীৰ খাবলৈ ইচ্ছা কৰাত মাকে তেওঁক গাখীৰ খুৱাইছে। যশোদাই "ওহি চণ্ড বালক পয়োধৰ নাপায়া অৱ ছোড়ৰ নাহি। ইহাক স্তনপান কৰায়ে পঠাওঁ"— বুলি কোলাত তুলি স্তনপান কৰাইছে। ইয়াতে পুত্ৰৰ প্ৰতি থকা যশোদাৰ চিৰন্তন মাতৃ ৰূপ প্ৰকাশিত হৈছে। পুত্ৰৰ প্ৰতি থকা মাতৃৰ স্নেহে নাটখনিত বাৎসল্য ৰসৰ সৃষ্টি কৰিছে।

কৃষ্ণক স্তনপান কৰাই থকা অৱস্থাত গোৱালীসকলে আখাত বহাই থৈ অহা গাখীৰ উতলি পৰিব বুলি খবৰ দিয়াত যশোদাই কৃষ্ণক মাটিত থেকেচা মাৰি থৈ গাখীৰ নমাবলৈ গ'ল। কৃষ্ণই খণ্ডত মথনি দণ্ড ভাঙি, লৱণু খাই উদ্ভণ্ডালি কৰাত যশোদাই তেওঁক জৰীৰে উৰলত টানি বান্ধি থ'লে। সেই সময়ত ৰোহিনী প্ৰমুখ্যে গোৱালীসকলে কৃষ্ণক তেনেদৰে বান্ধি নথ'বলৈ যশোদাক কাতৰ অনুৰোধ কৰে। গোপীসকলে কৃষ্ণক তেনেদৰে বন্ধা দেখি শোকত ভাগি পৰে। যশোদাক তেওঁলোকে কৈছে— "হে মাই যশোদা, তোহাৰি ঐচন দাৰুণ হৃদয়, ওহি মাণিক পুতলী শ্ৰীকৃষ্ণ সব গোকুলক জীৱপ্ৰাণ, তোহাৰি নিজ বালক, আহেক কোন অপৰাধে অতয়ে ৰাগে গৰুক পাগে উদৰে কৈচন বন্ধন কৰহ।" ৰোহিনীয়েও কৃষ্ণক গৰুৰ পঘাৰে বন্ধাত যশোদাক— "তোহাৰি ঐচন কঠিন হৃদয় ভেলি" বুলি দুখ প্ৰকাশ কৰিছে। ৰোহিনীৰ মানত "কৃষ্ণ আপুন পুত্ৰ বলাইতো শতগুণ অধিক।" কৃষ্ণৰ প্ৰতি থকা মাতৃসকলৰ এনে স্নেহত বাৎসল্য ৰসৰ প্ৰকাশ ঘটিছে। অৰ্জুন-ভঞ্জনত মুঠ আঠোটা গীত আছে। এই আঠোটা গীতত কৃষ্ণৰ মহিমা অতি চিত্তাকৰ্ষক ৰূপত বৰ্ণনা কৰা হৈছে। যশোদা, গোপিনী, গোপবালকসকলৰ সৈতে থকা কৃষ্ণৰ সম্পৰ্ক অতি মনোমোহা ভাৱত গীতবোৰত প্ৰতিফলিত হৈছে। মাধৱদেৱে গীত, পদ আৰু চৰিত্ৰত বাৎসল্য ৰসৰ সমাবেশ ঘটাই পাঠক আৰু দৰ্শকৰ মনত বাৎসল্য প্ৰীতি জগাই তুলিছে। সেই বাৎসল্য ৰসেই অৱশেষত ভক্তিৰসলৈ ৰূপান্তৰিত হৈছে।

নাটখনিত পৰম পুৰুষ কৃষ্ণৰ শিশু লীলাত প্ৰকাশ পাইছে বিস্ময় ৰস। কৃষ্ণক উৰলত বন্ধাৰ পিছত তেওঁ উৰল চোচোঁৰাই নি যমলাৰ্জুন গছজোপাৰ মাজেৰে সৰকি যাবলৈ চেষ্টা কৰিছে। ফলত তেওঁৰ স্পৰ্শত নাৰদৰ দ্বাৰা শাপগ্ৰস্ত কুবেৰৰ দুই পুত্ৰ নলকুবেৰ আৰু মণিগ্ৰীৱই মুক্তি লাভ কৰিছে। বাত-বৃষ্টি, বজ্ৰপাত একো নোহোৱাকৈ প্ৰকাণ্ড গছজোপা বাগৰি পৰাত আৰু তাৰ মাজেৰে কৃষ্ণক বান্ধ খাই থকাত সকলোৰে মনত পৰম বিস্ময়ৰ ভাব উদয় হৈছে। নাটত সূত্ৰধাৰে গোপসকলৰ মনত এনে বিস্ময় - অদ্ভুত- আশ্চৰ্যজনক কথাৰে চিন্তা এনেদৰে উদ্ৰেক কৰিছে— "গোৱালসকলে পৰম অদভূত দেখিয়ে চৌপাশে ফিৰি চিৰি চাৱত, বিস্ময় হয়া অন্যোঅন্যে বোল।" গোৱালসকলেও ক'বলৈ ধৰে— "ওহি কি অদভুত, বাত নাহি, বৃষ্টি নাহি, নিৰ্ঘাত বজ্ৰপাত নাহি, হস্তীসৱক বিক্ৰান্ত দোষ নাহি, অতয়ে কালক বৃক্ষ কৈচন উভৰি পৰল?" বালক কৃষ্ণৰ এনে কাৰ্যত অকল গোপসকলৰ মাজতে নহয়, সৰ্বসাধাৰণ লোকৰ মনতো বিস্ময় ভাৱৰ উদ্ৰেক হোৱা স্বাভাৱিক। নাট্যকাৰে বালক কৃষ্ণৰ কাৰ্য-কলাপেৰে এনেদৰে নাটখনিত বিস্ময়,অদ্ভুত ৰসৰ সমাৱেশ ঘটাইছে।

নাটখনিৰ সামৰণিত হাস্যৰসৰো আভাস পোৱা যায়। নাটখনিৰ তৃতীয় স্তৰত নন্দ-যশোদাৰ দাম্পত্য কলহৰ মাজেৰে তেনে হাস্যৰসৰ প্ৰকাশ ঘটিছে। মূলত নোহোৱা স্বত্বেও নাট্যকাৰে নন্দ যশোদাৰ গৃহ কন্দলৰ মাজেৰে আৰু তেওঁলোকৰ গ্ৰাম্য দোষযুক্ত বাক্-বিতণ্ডাৰ মাজেৰে হাস্যৰসৰ সৃষ্টি কৰিছে। হৰিবংশত এনে কন্দলৰ মাথোন আভাসহে পোৱা যায়। নন্দ-যশোদাৰ বাক্ বিতণ্ডাত যেনে ধৰণৰ ভাষা আৰু প্ৰকাশভংগী ব্যৱহাৰ হৈছে সেয়া বাস্তৱধৰ্মী সামাজিক নাটকৰ ওচৰ চপা। নন্দ-যশোদাৰ গ্ৰাম্য কলহৰ দৃশ্য শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটৰ শচী আৰু সত্যভামাৰ গ্ৰাম্যৰুচি সম্পন্ন বাক্যৰ সৈতে কিছু পৰিমাণে ৰিজাব পাৰি। কৃষ্ণক গৰুৰ পঘাৰে বন্ধা কাৰ্যত নন্দই যশোদাক গালি পাৰিছে— "আহে নাগিনী, তোহাক বস্তুৱে নাটল! কোন ছাৰ কলস ভাংগল। হামাৰ ঘৰে দধি দুধ লৱণু কে পুছত? নদী বহইতে পাৰো। তাহেৰ নিমিতে কৃষ্ণক অতয়ে শাস্তি কয়লি? তোহাক আজু মাৰিয়ে প্ৰাণ লেৱক; ৰহ ৰহ হামাক বাত বুজব।"

নন্দৰ কথাত যশোদায়ো মনে মনে থকা নাই। সাধাৰণ গাৱৰ মুখচোকা তিৰোতাৰ দৰে তেৰোঁ নন্দৰ কটু কথাৰ উত্তৰ সমানে দিছে— "আহে বুঢ়িয়া, কাহেৰ আগে ঐচন ৰাগ দেখাৱত? তোহাৰি ভাৱনা চুৰ কৰব। তোহ হামাৰি ৰাখোৱাল। নিশাভাগে উঠিয়ে কলস কণ্ডিয়া বাঞ্ঝকা শিকিয়া জুড়িয়া কন্ধে কৰিয়ে মলিন বসন পাৰিয়ে গোষ্ঠক চলবি, ধেনু ৰাখবি, গাই দুহিবি, দধিক ভাৰ বহিবি। হামু কণকটা, ঋনকটা, যে যে বস্তু দেৱত তাহেক ভোজন কৰবি। তুহ গৃহৰ কোন অধিকাৰ থিক?" নন্দ-যশোদাৰ এনে কন্দলত গাৱৰ সাধাৰণ শ্ৰেণীৰ স্বামী-স্ত্ৰীৰ মাজৰ কন্দলৰ চিত্ৰ ফুটি উঠিছে। এনে প্ৰকাশভংগীয়ে সাধাৰণ লোকৰ মনত হাস্যৰসৰ সৃষ্টি কৰে।

অৰ্জুন-ভঞ্জন নাটৰ শিশু কৃষ্ণক অসাধাৰণ বুদ্ধিসম্পন্ন মানৱ শিশু হিচাপে

ৰূপৰ ঘোষণা এইখন নাটতে বেছিকৈ পোৱা যায়। চিত্ৰিত কৰিলেও কৃষ্ণৰ পৰম পুৰুষ ৰূপৰ ঘোষণা এইখন নাটতে বেছিকৈ পোৱা যায়। মহাপুৰুষ মাধৱদেৱে নাটখনিৰ ঠায়ে ঠায়ে সাধাৰণ মানৱ শিশুৰ ব্যৱহাৰ আৰু চৰিত্ৰৰে কৃষ্ণ চৰিত্ৰক সজালেও তেওঁক সৰ্বশক্তিমান ৰূপেও প্ৰতিপন্ন কৰিছে। সূত্ৰধাৰৰ বচনৰ মাধ্যমেৰে তেওঁ জনগণক ঈশ্বৰ যে সৰ্বশক্তিমান, জগতৰ আত্মা, পৰম দেৱতা এই কথা প্ৰতীয়মান কৰিছে। আনকি কৃষ্ণই নিজেও নিজৰ কথা প্ৰকাশ কৰি তেওঁৰ ঈশ্বৰত্ব প্ৰমাণ কৰিব খুজিছে— "হামু কোটি কোটি ব্ৰহ্মাণ্ডক নায়ক।ব্ৰহ্মাদিদেৱক পৰম দেৱতা।" কোনো ঠাইত নাটৰ বচনৰ মাজতে "শ্ৰীকৃষ্ণ মানুষ ভাৱ দেখায়া" আৰু "সোহি সময়ে শ্ৰীকৃষ্ণ নিজ যোগমায়া বেকত কৰল" আদিত ভগৱানৰ স্বৰূপ প্ৰকাশ পাইছে। ৰোহিনী প্ৰমুখ্যে গোপীসকলেও "প্ৰভাৱ দেখিয়ে হামু জানল, ওহি জগতক কাৰণ নাৰায়ণ" আদিত ঈশ্বৰৰ ঈশ্বৰত্বৰ আভাস ফুটি উঠিছে।

এনেদৰে অৰ্জুন-ভঞ্জন নাটত বাৎসল্য, হাস্য, অদ্ভুত বা বিস্ময় আদি ৰসৰ সমাবেশ ঘটিছে যদিও ভগৱান কৃষ্ণৰ শিশুৰূপৰ মাজেৰে ভক্তিৰসে প্ৰাধান্য লাভ কৰিছে। ভক্তিধৰ্ম প্ৰচাৰৰ অৰ্থে ৰচনা কৰা অংকীয়া নাটসমূহত সকলো ৰসেই অৱশেষত ভক্তিৰসত মিলিত হয়। অৰ্জুন-ভঞ্জনতো বাৎসল্য, হাস্য আৰু কৃষ্ণৰ কাৰ্যৰে বিস্ময় ৰসৰ মাজতো ভক্তিৰসৰ নিজৰা ফল্গুধাৰাৰ দৰে প্ৰবাহিত হৈ আছে।